# কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

## বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষাৰ্থী হিচাপে মই লাভ কৰোঁ নিম্নলিখিত অধিকাৰসমূহ—

১) বিশ্ববিদ্যালয়ৰ ফালৰ পৰা অমায়িক আৰু সন্মানজনক আচৰণ।

২) কোনো পাঠ্যক্ৰমৰ বাবে প্ৰয়োজনীয় অৰ্হতা, বিষয়বস্তু আৰু সেই পাঠ্যক্ৰম অধ্যয়নৰ সু-সমাপ্তিৰ ফলশ্ৰুতি তথা অন্যান্য শৈক্ষিক বিষয় সম্পৰ্কে শুদ্ধ তথ্য।

৩) মুক্তচিন্তাক উদ্‌গনি, শিকণৰ স্বতন্ত্ৰতা, সমালোচনাত্মক চিন্তাৰ প্ৰস্ফুটন আৰু ব্যক্তিগত বিকাশৰ পোষকতা কৰা পৰিৱেশ এটাত অধ্যয়ন কৰাৰ সুবিধা।

৪) অধ্যয়নৰ ক্ষেত্ৰত থকা অন্তৰায়সমূহ অতিক্ৰম কৰিবলৈ বিশ্ববিদ্যালয়ে ব্যক্তিগত পৰ্যায়ত প্ৰদান কৰা শিক্ষাৰ্থী সমৰ্থন সেৱাসমূহ।

৫) লিংগ, জাতি, ধৰ্ম আৰু সামৰ্থৰ ভিত্তিক অবৈষম্যমূলক আচৰণ।

৬) মুকলিকৈ প্ৰকাশ কৰা ব্যক্তিগত ভাব, দৃষ্টিভংগী তথা মতামতৰ গুৰুত্ব লাভ।

৭) ব্যক্তিগত শৈক্ষিক সফলতাৰ বিশেষ স্বীকৃতি।

৮) বিশ্ববিদ্যালয়ৰ যিকোনো ধৰণৰ বৈষম্যমূলক কামৰ বিৰুদ্ধে মুকলিকৈ আৰু ন্যায়সংগতভাৱে অভিযোগ দাখিল কৰাৰ সুবিধা।

৯) যিকোনো শৈক্ষিক /প্ৰশাসনীয় সমস্যা সমাধানৰ বাবে জনোৱা ব্যক্তিগত আৱেদনৰ ৭ কৰ্ম দিনৰ ভিতৰতে এক স্পষ্ট তথা স্বচ্ছ পদ্ধতিৰে বিশ্ববিদ্যালয়ে আগবঢ়োৱা সমাধান।

১০) আৱেদন জনোৱাৰ ৭ কৰ্ম দিনৰ ভিতৰত সমাধান লাভ নকৰিলে ইয়াৰ কাৰণ জনাৰ অধিকাৰ।

১১) বিশ্ববিদ্যালয়ত জমা দিয়া ব্যক্তিগত তথ্যৰ গোপানীয়তা তথা সুৰক্ষাৰ অধিকাৰ, যাতে কোনেও ইয়াৰ অপব্যৱহাৰ কৰিব নোৱাৰে।

১২) উল্লিখিত অধিকাৰসমূহ সঠিকভাৱে লাভ নকৰিলে বিশ্ববিদ্যালয়ৰ উপাচাৰ্যৰ ওচৰত পোনে পোনে অভিযোগ দাখিল কৰাৰ অধিকাৰ।

## বিশ্ববিদ্যালয়ৰ এগৰাকী শিক্ষাৰ্থী হিচাপে মই পালন কৰিম নিম্নলিখিত কৰ্তব্য আৰু দায়িত্বসমূহ —

১) শৈক্ষিক সততাৰ সৰ্বোৎকৃষ্ট মান প্ৰদৰ্শন আৰু নৈতিক আচৰণৰ সৰ্বজনগ্ৰাহ্য মান অক্ষুণ্ণ।

২) শৈক্ষিক সততা ভংগ কৰিলে অনুশাসন ভংগৰ বিহিত শাস্তি ভোগ।

৩) শৈক্ষিক লক্ষ্যত উপনীত হ'বলৈ লাভ কৰা তথ্য, পৰামৰ্শ, দিক্‌নিৰ্দেশনা আৰু সমৰ্থন সেৱাবোৰৰ যথোচিত ব্যৱহাৰ।

৪) বিশ্ববিদ্যালয়ে সময়ে সময়ে আয়োজন কৰা পৰামৰ্শদান শ্ৰেণী, ক্ষেত্ৰভ্ৰমণ, ব্যৱহাৰিক পাঠদান আৰু অন্য সহঃপাঠ্যক্ৰমভিত্তিক কাৰ্যকলাপত অংশগ্ৰহণ।

৫) পাঠ্যক্ৰম নিৰ্ধাৰিত সময়ৰ ভিতৰত সমাপ্ত কৰিবলৈ প্ৰয়োজনীয় প্ৰদত্ত কৰ্ম, প্ৰজেক্ট আদি নিৰ্ধাৰিত সময়ত জমা।

৬) যিকোনো ধৰণৰ অসাধু উপায় অৱলম্বন নকৰাকৈ পৰীক্ষা নাইবা পাঠ্যক্ৰম ভিত্তিক যিকোনো প্ৰদত্ত কৰ্ম জমা।

৭) ব্যক্তিগতভাৱে আৰু অন্‌লাইন যোগে শিক্ষক, সহপাঠী আৰু বিশ্ববিদ্যালয়ৰ অন্য কৰ্মচাৰীসকলৰ সৈতে সন্মান সহকাৰে যোগাযোগ স্থাপন।

৮) 'চ'ছিয়েল মিডিয়া'ত মত বিনিময়ত কেৱল শৈক্ষিক পাঠ্যক্ৰমৰ প্ৰয়োজনীয়তাত হে গুৰুত্ব প্ৰদান।

৯) ব্যক্তিগতভাৱে অন্যৰ চিন্তা আৰু মতামত মুকলি মনেৰে শুনাৰ লগতে পৃথক বিশ্বাস নাইবা আচৰণ প্ৰদৰ্শনকাৰী কাকোৱেই অপদস্থ নকৰোঁ মৌখিক অথবা শাৰীৰিকভাৱে।

১০) লিপ্ত নহওঁ আনৰ বিপক্ষে জাতি, ধৰ্ম, নৃগোষ্ঠীয় পৰিচয়, লিংগ, লিংগত্ব অথবা সামৰ্থৰ আধাৰত কোনো অপৰাধমূলক কাৰ্যত।

১১) জড়িত নহওঁ কেতিয়াও সহপাঠী আৰু কনিষ্ঠ শিক্ষাৰ্থীক মানসিক হাৰাশাস্তি অথবা 'ৰেগিং' কৰাৰ দৰে সমাজবিৰোধী কাৰ্যত।

১২) সদায় সন্মান প্ৰদৰ্শন কৰিম বিশ্ববিদ্যালয়ৰ আইন আৰু নীতিসমূহক।

১৩) বিশ্ববিদ্যালয়ৰ সেৱাসমূহত প্ৰতিফলিত হোৱা ৰাষ্ট্ৰীয় তথা আন্তৰ্জাতিক বৈচিত্ৰ্যক সদায় সম্ভ্ৰমমূলক আচৰণ প্ৰদৰ্শন।

কৃষ্ণকান্ত সন্দিকৈ ৰাজ্যিক মুক্ত বিশ্ববিদ্যালয়

# Krishna Kanta Handiqui State Open University

## Being a learner at KKHSOU, I am entitled to the following Privileges…

1. I am treated with dignity and respect by all in the University.
2. I have access to correct information on the requirements, contents and outcomes of an educational programme and on other academic matters.
3. I can study in an environment that promotes openness, autonomy in learning, critical thinking and personal growth.
4. I have access to the support services of the University to meet my individual needs and overcome the barriers to study.
5. I shall not face any discrimination on the basis of gender, castes, religion, sexuality, ethnicity and ability.
6. I can express freely and wish that my views and opinions are valued by others.
7. I have the right to be recognised for my academic achievements.
8. I am entitled for a free and fair appeal against any act of the University which is discriminatory.
9. I shall get any academic/administrative problem solved within 7 days from the date of application in clear and transparent manner.
10. I shall have the right to know the reasons if the issue raised in my application/complaint is not resolved within the specified time.
11. I have the right to privacy and to protection against misuse of my personal information by anyone in the University.
12. I shall have the right to appeal to the Vice Chancellor if any of my privileges are breached at any stage.

## Being a learner at KKHSOU, I have the following Duties and Responsibilities…

1. I shall demonstrate the highest standard of academic integrity and adhere to the commonly accepted standards of ethical behaviour.
2. I shall be liable to disciplinary action, if I violate academic integrity.
3. I shall make judicious use of the information, advice, guidance and support services provided to me to achieve my academic goals.
4. I shall participate in the counselling sessions, field trips, practical classes, and other co curricular activities of the University as organised from time to time.
5. I shall submit assignments, projects etc. within the specified time for completion of the educational programme.
6. I shall never resort to unfair means during examination or other assessment.
7. I shall communicate with my teachers, peers and the University staff in a respectful manner both in person and online.
8. While interacting in Social Media, I shall act according to the requirements of the educational programme only.
9. I shall be open to ideas and opinions and shall never resort to verbal or physical abuse of those whose beliefs or behaviours differ from mine.
10. I shall never involve in any criminal activities against anyone on the basis of race, religion, ethnicity, gender, sexuality or ability.
11. I shall never resort to any antisocial activities like bulling and ragging of fellow and junior learners.
12. I shall always respect the Act and Policies of the University.
13. I shall always respect National and International diversity as reflected in the services of the University.

Krishna Kanta Handiqui State Open University